(প্ৰথম অধ্যায়)

# অসমৰ অৰ্থনীতিৰ বৈশিষ্ট্য
# (Economic Characteristics of Assam)

1.1 **অসমৰ প্ৰাকৃতিক সম্পদসমূহ (Natural Resources of Assam) ঃ** প্ৰাকৃতিক সম্পদৰ দিশৰ পৰা অসম এখন অতি চহকী ৰাজ্য। অসমৰ পৰ্বত-পাহাৰ, নদ-নদী, খাল-বিল, হাবি-বননি নাইবা সমভূমি অঞ্চল সকলোতে অজস্ৰ প্ৰাকৃতিক সম্পদেৰে পৰিবেষ্টিত হৈ আছে। প্ৰাকৃতিক সম্পদ মানে কোনো এখন অৰ্থনীতিত প্ৰকৃতিয়ে মুক্তভাৱে দান কৰা বস্তুবোৰকে প্ৰাকৃতিক সম্পদ বোলে। উদাহৰণস্বৰূপে অসমৰ মাটি, জলজ সম্পদ, খনিজ সম্পদ, হাবি-বন, জলবায়ু, বৰষুণ আদিবোৰেই হ'ল অসমৰ বাবে প্ৰাকৃতিক সম্পদ। এন্য এচাম চিন্তাবিদৰ মতে প্ৰকৃতিৰ অনবদ্য দান হিচাপে পৃথিৱীৰ উপৰিভাগত আৰু ইয়াৰ ভূ-গৰ্ভত যিবোৰ সম্পদ পোৱা যায় সেইবোৰেই হ'ল প্ৰাকৃতিক সম্পদ। উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ প্ৰাকৃতিক সম্পদ অনুসন্ধান আৰু সেইবোৰৰ ব্যৱহাৰ সম্পৰ্কে ৰাষ্ট্ৰসংঘই গঠন কৰা সমিতিখনৰ মতে "A natural resources is anything found by man in his natural environment that he may way utilitise for his own benefit." অৰ্থাৎ প্ৰকৃতিৰ পৰা লাভ কৰা সেইবোৰ সম্পদকে আমি প্ৰাকৃতিক সম্পদ আখ্যা দিব পাৰো, যিবোৰক আমাৰ উপকাৰৰ কাৰণে ব্যৱহাৰ কৰিব পৰা যায়। মানুহৰ অভাৱ পূৰণৰ বাবে প্ৰাকৃতিক সম্পদসমূহ ব্যৱহাৰ কৰি বিভিন্ন প্ৰয়োজনীয় সেৱা সামগ্ৰীৰ উৎপাদন কৰিবলৈ যাওঁতেই আৰ্থিক কাম-কাজৰ সৃষ্টি হয়। এনেদৰেই মানুহৰ প্ৰয়োজনত প্ৰাকৃতিক সম্পদসমূহৰ ব্যৱহাৰৰ সম্প্ৰসাৰণ ঘটে।

অৰ্থনীতি এখনৰ আৰ্থিক উন্নয়নৰ মূল চাবি-কাঠি হ'ল দেশখনত থকা প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতা। এইটো দিশৰ পৰা অসমক প্ৰাকৃতিক সম্পদৰ

ভড়াল আখ্যা দিব পাৰি। প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য্যতাৰ বাবেই অতি প্ৰাচীন কালৰে পৰা অন্য স্থানৰ পৰা অসমলৈ জন প্ৰব্ৰজন হোৱা দেখা যায়। এই প্ৰাকৃতিক সম্পদসমূহ হ'ল— (ক) মাটি বা ভূমি সম্পদ (খ) বনজ সম্পদ (গ) খনিজ সম্পদ (ঘ) জলজ সম্পদ (ঙ) শক্তি সম্পদ ইত্যাদি।

1.1.1 **সম্পদৰ ভাগ** ঃ প্ৰাকৃতিক সম্পদক প্ৰকৃতি অনুসৰি ওপৰত উল্লেখ কৰাৰ দৰে (ক) ভূমি বা মাটি (খ) বনজ সম্পদ (গ) খনিজ সম্পদ ইত্যাদিৰ দৰে বিভিন্ন ভাগত ভগাব পাৰি। আনহাতেদি ইয়াৰ মজুত নিঃশেষ হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি দুটা ভাগত ভাগ কৰিব পৰা যায়। সেইয়া হ'ল (ক) নৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ (Renewable Natural Resources) আৰু (খ) অনৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ (Non-Renewable natural Resources)। তলত দুয়ো প্ৰকাৰ প্ৰাকৃতিক সম্পদৰ চমু আলোচনা আগবঢ়োৱা হ'ল।

1.1.2 **নৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ (Renewable Natural Resources)** ঃ যিবোৰ প্ৰাকৃতিক সম্পদ আমি পুনৰ উৎপাদন বা পুনৰ সৃষ্টি আশা কৰিব পাৰো, তেনেবোৰ প্ৰাকৃতিক সম্পদকে নৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ (Renewable Natural Resources) বোলা হয়। উদাহৰণস্বৰূপে কাঠ, বাঁহ আদি বনজ সম্পদ, সৌৰশক্তি, জলশক্তি, বায়ু আদি প্ৰাকৃতিক সম্পদসমূহ আমি কোনো উৎপাদনীয় কামত ব্যৱহাৰ কৰিলেও সিবিলাকক পুনৰ উৎপাদন কৰিব পৰা যায়। গতিকে এনেবোৰ সম্পদ আমি যিমানেই ব্যৱহাৰ নকৰো লাগে, কেতিয়াও নিঃশেষ হৈ নাযায়। অৱশ্যে এনেবোৰ সম্পদ উৎপাদনৰ বাবে নিৰ্দ্দিষ্ট সময়ৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে গছ-গছনি বা বাঁহ-খেৰ আদিবোৰ পুনৰবাৰ পুলি অৱস্থাৰ পৰা প্ৰাপ্তবয়স্ক কৰি তুলিবলৈ বহু বছৰ সময়ৰ প্ৰয়োজন হয়। গতিকে নৱীকৰণযোগ্য হ'ল বুলিয়েই জধে-মধে ইবিলাকৰ ব্যৱহাৰ কৰিব পৰা নেযায়। এনে সম্পদৰ ব্যৱহাৰ কৰোঁতে সতৰ্ক হোৱা দৰকাৰ যাতে প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিব পৰা যায়। অৱশ্যে কিছুমান নৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ আমি জধে-মধে ব্যৱহাৰ কৰিলেও শেষ কৰিব নোৱাৰো। যেনে- সৌৰশক্তি, জলশক্তি, বায়ুশক্তি ইত্যাদি। সৌৰশক্তি বা জলশক্তি আমি যিমানে ব্যৱহাৰ কৰোঁ লাগে কেতিয়াও শেষ হৈ নেযায়। গতিকে

এনেবোৰ সম্পদৰ ব্যৱহাৰ বৃদ্ধি কৰিলেও ভৱিষ্যত প্ৰজন্মৰ বাবে সম্পদৰ নাটনি ঘটাৰ অৱকাশ নেথাকে।

**1.1.3 অনৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ (Non-renewable Natural Resources) ঃ** আমাৰ পৃথিৱীত এনে কিছুমান সম্পদ আছে, যিবোৰ "সম্পদ" আখ্যা পাবলৈ যুগ-যুগ বছৰৰ প্ৰয়োজন হয়। এনেবোৰ প্ৰাকৃতিক সম্পদৰ যোগান লাগ বুলিলেই বঢ়াব পৰা নেযায়। গতিকে এনে সম্পদ এবাৰ ব্যৱহাৰ কৰিলে এনে সম্পদৰ মজুতৰ পৰিমাণ চিৰকালৰ বাবে কমি যায়। এবাৰ ব্যৱহাৰ কৰাৰ পিছত মুঠ যোগান কমি যোৱা এনেবোৰ সম্পদক অনৱীকৰণযোগ্য প্ৰাকৃতিক সম্পদ বোলে। যেনে- কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেছ। আচলতে পৃথিৱী সৃষ্টিৰ লগত এনেবোৰ সম্পদৰ গঠন প্ৰক্ৰিয়া জড়িত হৈ আছে। গতিকে এনেবোৰ সম্পদ কৃত্ৰিম উপায়েৰে সৃষ্টি কৰিব পৰা নেযায়। এনেবোৰ সম্পদ ব্যৱহাৰ কৰাৰ বেলিকা যিমান পাৰি সিমান মিতব্যয়ী হোৱাৰ লগতে অলপো সম্পদ যাতে নষ্ট হ'বলৈ নেপায় তাৰ প্ৰতি সতৰ্ক হোৱা দৰকাৰ। দ্বিতীয়তে, আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে যাতে প্ৰয়োজনীয় সম্পদৰ কোনো ধৰণেৰে অভাৱ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি যিমান দূৰ সম্ভৱপৰ নৱীকৰণযুক্ত সম্পদ ব্যৱহাৰৰ যোগেদি বৰ্তমানৰ উন্নয়নৰ ধাৰা অব্যাহত ৰখাটোৱেই নিতান্ত উপযুক্ত হ'ব। বিশেষজ্ঞসকলৰ মতে বৰ্তমানে ব্যৱহাৰ কৰাৰ দৰে যদি খাৰুৱা তেল ব্যৱহাৰ কৰি থকা হয় তেনেহ'লে এই শতিকাৰ মাজ ভাগতে খাৰুৱা তেলৰ নাটনিয়ে দেখা দিব। সেয়েহে খাৰুৱা তেল, কয়লা, লো, মেংগানিজ, চূণশিল আদি অনৱীকৰণযোগ্য (Non-renewable) প্ৰাকৃতিক সম্পদসমূহৰ ব্যৱহাৰ নুন্যতম কৰাৰ লগতে লোকচান (Loss) ৰ পৰিমাণ শূণ্য কৰিব পাৰিব লাগিব।